**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 10-09-2026
**Time :** 7:10 PM

ASSAMESE EVENING NSD BULLETIN

## HEADLINES

::::::::::::::::::::

১। ভাৰতে সুৰক্ষিত, শান্তিপূৰ্ণ আৰু বহনক্ষম মহাকাশ উন্নয়নত সমৰ্থন কৰে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে।

২। নতুন দিল্লীত অনুষ্ঠিত হ'বলগীয়া ব্ৰীকছ্ শীৰ্ষ সন্মিলনত অংশগ্ৰহণৰ বাবে চীনৰ ৰাষ্ট্ৰপতি চি জিন পিঙে এই সপ্তাহতে ভাৰত ভ্ৰমণ কৰিব।

৩। নতুন আৰু নৱীকৰণ যোগ্য শক্তি ৰাজ্য মন্ত্ৰী শ্ৰীপদ য়েছ' নায়কে আজি নতুন দিল্লীত ক্ষুদ্ৰ জলশক্তি প্ৰকল্পৰ গুৰুত্বৰ বিষয়ত আলোকপাত কৰে।

৪। চৰকাৰে বিজ্ঞান, প্ৰযুক্তি আৰু উদ্ভাৱনৰ বিকাশ ত্বৰান্বিত কৰাৰ বাবে নতুন পদ্ধতি গ্ৰহণ কৰিছে বুলি কেন্দ্ৰীয় মন্ত্ৰী জিতেন্দ্ৰ সিঙে প্ৰকাশ কৰিছে।

*আৰু*

৫। চীনত অনুষ্ঠিত মহিলাৰ জুনিয়ৰ হকী এছিয়া কাপ প্ৰতিযোগিতাত ভাৰতে পাকিস্তানক ১৯ গ'লত পৰাস্ত কৰি ছেমিফাইনেলত প্ৰৱেশ কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে ভাৰতে আন্তঃৰাষ্ট্ৰীয় আইন, আলোচনা আৰু বহুপাক্ষিক সহযোগিতাৰ ওপৰত আধাৰিত সুৰক্ষিত, শান্তিপূৰ্ণ আৰু বহনক্ষম মহাকাশ উন্নয়নত সমৰ্থন কৰে। পেৰিছত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় মহাকাশ সন্মিলনত ভাৰ্চুৱেল ব্যৱস্থাৰে ভাষণ দি প্ৰধানমন্ত্ৰীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ লগতে কয়, যে হ্ৰস্বম্যাদী লাভালাভৰ বাবে অধিক উৎক্ষেপন কৰাৰ সলনি বহনক্ষম উন্নয়নৰ ওপৰত গুৰুত্ব দিয়া উচিত। তেওঁ কয়, যে ভাৰতৰ দৰে **বসুধৈৱ কুটুম্বকম** মন্ত্ৰক সাৰথি কৰি এখন পৃথিৱী, এটা পৰিয়াল, এটা ভৱিষ্যৎ আৰু এটা আত্মাৰ বাবে এতিয়া সকলোৱে কাম কৰা উচিত। ভাৰতৰ মহাকাশ যাত্ৰাই এই আদৰ্শকে প্ৰতিফলিত কৰিছে বুলিও শ্ৰী মোদীয়ে উল্লেখ কৰে। যুগ যুগ ধৰি মহাকাশে আমাৰ কল্পনাশক্তিক অনুপ্ৰাণিত কৰিছিল আৰু আজি ই পৃথিৱীৰ জলবায়ু আৰু শস্যৰ পৰা আৰম্ভ কৰি সাগৰ, মহাসাগৰলৈকে জীৱন গঢ় দিছে বুলিও প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। দেশৰ মহাকাশ যাত্ৰাৰ চমকপ্ৰদ সাফল্যৰ কথা উল্লেখ কৰি শ্ৰী মোদীয়ে কয়, যে চন্দ্ৰযান-তিনিয়ে ভাৰতক চন্দ্ৰৰ দক্ষিণ মেৰুত অৱতৰণ কৰা প্ৰথম ৰাষ্ট্ৰ হিচাপে স্বীকৃতি প্ৰদান কৰাৰ লগতে আদিত্য এল ৱানে সূৰ্যৰ নতুন তথ্য উন্মোচিত কৰা বুলিও তেওঁ প্ৰকাশ কৰে। যোৱা বছৰ এগৰাকী ভাৰতীয় মহাকাশচাৰীয়ে আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰ ভ্ৰমণ কৰাৰ কথা উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে ২০৩৫ চনৰ ভিতৰত ভাৰতীয় মহাকাশ কেন্দ্ৰ স্থাপন কৰি ২০৪০ চনৰ ভিতৰত এজন ভাৰতীয় চন্দ্ৰলৈ প্ৰেৰণ কৰাৰ লক্ষ্য আগত ৰাখি ভাৰতে

কাম কৰি আছে। মহাকাশ যাত্ৰাত ভাৰতীয় মহাকাশ গৱেষণা সংস্থা ইছ্‌ৰ'ৰ সফলতাৰ কথা উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে ইছ্‌ৰ'ই নিজৰ উৎকৃষ্ট আৰু খৰচ বহনক্ষম অভিযানৰ বাবে সকলোৰে প্ৰশংসা লাভ কৰিছে। তেওঁ কয়, যে ইয়াৰ সামৰ্থই কৃষক, মাছমৰীয়া, বতৰৰ আগজাননী, দুৰ্যোগ ব্যৱস্থাপনা, আদিত বিশেষভাৱে সহায় কৰিছে। ৩৪ খন দেশৰ ৪৩০ টাতকৈও অধিক উপগ্ৰহ ভাৰতীয় ৰকেটৰ মাধ্যমেৰে মহাকাশলৈ যাত্ৰা কৰিছে বুলিও প্ৰধানমন্ত্ৰীয়ে কয়। ইছ্‌ৰ'ৰ প্ৰযুক্তি আৰু অংশীদাৰিত্বই কেৱল ভাৰতকে নহয়, সমগ্ৰ বিশ্বকে সেৰা আগবঢ়াইছে বুলিও তেওঁ উল্লেখ কৰে। তেওঁ ভাৰতীয় বিজ্ঞানী, অভিযন্তা আৰু কাৰিকৰীবিদসকলৰ কঠোৰ পৰিশ্ৰমৰ শলাগ লয়। ইছ্‌ৰ'ৰ সফলতাই মহাকাশ ভ্ৰমণকাৰী ৰাষ্ট্ৰৰ মাজত ভাৰতক গৌৰৱময় স্থান দিছে বুলিও প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে।

ooooo

নতুন দিল্লীত অনুষ্ঠিত হ'বলগীয়া ব্ৰীকছ্‌ শীৰ্ষ সন্মিলনত অংশগ্ৰহণৰ বাবে চীনৰ ৰাষ্ট্ৰপতি চি জিন পিঙে এই সপ্তাহতে ভাৰত ভ্ৰমণ কৰিব। চীনৰ বৈদেশিক মন্ত্ৰালয়ে আজি ঘোষণা কৰে যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আমন্ত্ৰণত ৰাষ্ট্ৰপতি জিন পিঙে চলিত মাহৰ ১২ আৰু ১৩ তাৰিখত অষ্টাদশ ব্ৰীকছ্‌ সন্মিলনত অংশ লোৱাৰ উদ্দেশ্যে ভাৰত ভ্ৰমণ কৰিব। বিশ্বৰ অস্থিৰ পৰিস্থিতি পশ্চিম এচিয়াত চলি থকা সংঘাট আৰু ৰাছিয়া-ইউক্ৰেইন যুদ্ধৰ মাজতে এই ভ্ৰমণ ব্ৰীকছ্‌ সহযোগিতাৰ বাবে উচ্চ পৰ্যায়ৰ কূটনৈতিক যোগাযোগ হ'ব বুলি আশা কৰা হৈছে। প্ৰায় সাত বছৰৰ পাছত এয়াই হ'ব চি জিন পিঙৰ প্ৰথমটো ভাৰত ভ্ৰমণ।

ৰাষ্ট্ৰপতিগৰাকীৰ ভ্ৰমণৰ পূৰ্বে ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা অজিত দোভাল আৰু চীৰন বৈদেশিক মন্ত্ৰী ৱাং য়ীয়ে যোৱা মাহত বেইজিঙত সীমান্ত সমস্যা, সীমান্তত শান্তি আৰু দ্বিপাক্ষিক সম্পৰ্ক উন্নত কৰাৰ বাবে বিস্তৃত আলোচনাত মিলিত হৈছিল। উল্লেখযোগ্য যে, ভাৰত বৰ্তমান ব্ৰীকছ্‌ৰ অধ্যক্ষ আৰু অহা শনিবাৰ আৰু দেওবাৰে নতুন দিল্লীত অষ্টাদশ ব্ৰীকছ্‌ শীৰ্ষ সন্মিলন অনুষ্ঠিত হ'ব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে কৈছে যে, এইবাৰৰ ব্ৰীকছ্‌ সন্মিলনৰ মূল বিষয়বস্তু হৈছে- স্থিতিস্থাপকতা, উদ্ভাৱন, সহযোগিতা আৰু বহনক্ষমতাৰ বাবে নিৰ্মাণ। এই বিষয়বস্তুৱে প্ৰধানমন্ত্ৰী শ্ৰী মোদীৰ **মানৱতা প্ৰথম** মনোভাৱত শিপাই থকা কল্যাণমূলক দৃষ্টিভংগীক প্ৰতিফলিত কৰে।

নতুন দিল্লীত অনুষ্ঠিত হ'বলগীয়া ব্ৰীকছ্‌ সন্মিলনত বিশ্বৰ আগশাৰীৰ অৰ্থনীতিসমূহ একত্ৰিত হ'ব। প্ৰথমে ব্ৰাজিল, ৰাছিয়া, ভাৰত, চীন আৰু দক্ষিণ আফ্ৰিকাক সামৰি লোৱা ব্ৰীকছ্‌ সন্মিলনে ২০২৪ চনত ইজিপ্ত, ইথিঅ'পিয়া, ইৰাণ আৰু সংযুক্ত আৰৱ আমীৰী ৰাষ্ট্ৰক সামৰি লৈছিল।

ooooo

নতুন আৰু নৱীকৰণ যোগ্য শক্তি বিভাগৰ ৰাজ্য মন্ত্ৰী শ্ৰীপদ য়েছ্‌' নায়কে আজি দুৰ্গম অঞ্চলৰ লগতে স্থিতিস্থাপক শক্তিৰ বিকল্প প্ৰদানৰ বাবে ক্ষুদ্ৰ জলশক্তি প্ৰকল্পৰ গুৰুত্বৰ বিষয়ত আলোকপাত কৰে। চলিত বৰ্ষৰ দুই নৱেম্বৰৰ পৰা পাঁচ নৱেম্বৰলৈ নতুন দিল্লীত অনুষ্ঠিত হ'বলগীয়া ভাৰত নৱীকৰণযোগ্য শীৰ্ষ সন্মিলন আৰু বাণিজ্য মেলাৰ পূৰ্বাৱলোকন অনুষ্ঠানত ভাষণ দি মন্ত্ৰীগৰাকীয়ে আজি এই কথা কয়। শ্ৰী নায়কে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত দেশৰ স্বচ্ছ শক্তি যাত্ৰাৰ উল্লেখযোগ্য পৰিৱৰ্তন ঘটিছে। মন্ত্ৰীগৰাকীয়ে কয়, যে ২০২৬-২৭ চনৰ পৰা ২০৩০-৩১ চনলৈকে প্ৰস্তাৱিত ক্ষুদ্ৰ জলবিদ্যুৎ উন্নয়ন আঁচনিৰ বাবে দুহেজাৰ ৫৮৪ কোটি টকাতকৈ অধিক ব্যয়ৰ প্ৰকল্প নিৰ্ধাৰণ কৰা হৈছে, যাৰ আনুমানিক লক্ষ্য এহেজাৰ ৫০০ মেগাৱাট। তেওঁ কয়, যে দেশৰ বিশাল ভূ-খণ্ডত বিয়পি পৰা ক্ষুদ্ৰ জলসম্পদৰ পুনৰ মূল্যায়ণৰ প্ৰয়োজনীয়তা আছে আৰু শেহতীয়া বৈজ্ঞানিক পদ্ধতি তথা সঁজুলিৰে এই মূল্যায়ণ কৰিব পৰা যাব বুলিও তেওঁ উল্লেখ কৰে।

০০০০০

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনে আজি উপ-ৰাষ্ট্ৰপতি ভৱনত প্ৰখ্যাত সমাজসেৱী ৰহিম আগা খানক সাক্ষাৎ কৰে। সাক্ষাতৰ সময়ত পানী আৰু অনাময়, মহিলা আত্মসহায়ক গোট, শিক্ষা, সামূহিক উন্নয়ন আৰু পূব আফ্ৰিকা তথা আফগানিস্তানত তেওঁ কৰি থকা কামবোৰৰ শলাগ লয়। সামাজিক মাধ্যমৰ এটা বাৰ্তাত উপ-ৰাষ্ট্ৰপতিয়ে কয়, যে তেওঁলোকে ভাৰত আৰু আগা খান উন্নয়ন নেটৱৰ্কৰ মাজত ক্ৰীড়া আৰু শিক্ষাৰ দৰে খণ্ডক অধিক শক্তিশালী কৰাৰ বাবে বিভিন্ন আলোচনা কৰে। দুয়োগৰাকী নেতাই উগ্ৰপন্থী সমস্যা নিৰ্মূলৰ প্ৰয়োজনীয়তাত গুৰুত্ব আৰোপ কৰি কয়, যে শান্তি আৰু সম্প্ৰীতিৰ মাজেৰেহে সমাজত উন্নয়ন সাধন কৰিব পাৰি।

০০০০০

কেন্দ্ৰীয় বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী জিতেন্দ্ৰ সিঙে কয়, যে চৰকাৰে বিজ্ঞান, প্ৰযুক্তি আৰু উদ্ভাৱনৰ বিকাশ ত্বৰান্বিত কৰাৰ বাবে নতুন পদ্ধতি গ্ৰহণ কৰিছে। ড০ সিঙে আজি নতুন দিল্লীত ইমাৰ্জিং ছায়েন্স টেকন'ল'জী এণ্ড ইন'ভেছন কনক্লেভ ২০২৬ৰ পূৰ্বাৱলোকন অনুষ্ঠানৰ শুভাৰম্ভ কৰে। তেওঁ কয়, যে এই অনুষ্ঠানে ষ্টাৰ্টআপ, বিজ্ঞানী, উদ্যোগী আৰু নীতি নিৰ্ধাৰককে ধৰি বিভিন্ন অংশীদাৰক উমৈহতীয়া মঞ্চত একত্ৰিত কৰিব। আজিৰ বিজ্ঞান কেৱল বিজ্ঞানীৰ মাজতেই আৱদ্ধ হৈ থাকিব নোৱাৰে বুলিও কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে বৈজ্ঞানিক গৱেষণা সফল, বহনক্ষম আৰু বাণিজ্যিকভাৱে সম্ভৱপৰ কৰি তুলিবলৈ যোগাযোগ, পৰিচালনা আৰু বজাৰ ব্যৱস্থাও সমানেই গুৰুত্বপূৰ্ণ। তিনি দিনীয়া এই সন্মিলন চলিত মাহৰ ২৭ তাৰিখৰ পৰা ২৯ তাৰিখলৈ নতুন দিল্লীৰ ভাৰত মণ্ডপমত অনুষ্ঠিত হ'ব।

০০০০০

আসন্ন উৎসৱৰ সময়ছোৱাত যাত্ৰীসকলৰ সুবিধা বৃদ্ধিৰ লগতে অতিৰিক্ত যাত্ৰীৰ ভিৰ নিয়ন্ত্ৰণ কৰাৰ উদ্দেশ্যে উত্তৰ-পূব সীমান্ত ৰে'লৱেই চাৰিখন অতিৰিক্ত বিশেষ ৰে'লৰ সেৱা সম্প্ৰসাৰণৰ  সিদ্ধান্ত লৈছে। ০৪০০৮ আৰু ০৪০০৭ নম্বৰৰ আনন্দ বিহাৰ-যোগবণী উৎসৱ বিশেষ এক্সপ্ৰেছ ৰে'লগাড়ীখন ১০ অক্টোবৰৰ পৰা ৮ নৱেম্বৰলৈ ৫ বাৰকৈ অহা-যোৱা কৰিব। ০৮০৪৭/০৮০৪৮ নম্বৰৰ সন্ত্ৰাগাছী জংচন-নাহৰলগুন বিশেষ ৰে'লগাড়ীখনৰ যাত্ৰা ১১ ৰ পৰা ২৬ ছেপ্তেম্বৰলৈ ছবাৰ সম্প্ৰসাৰিত কৰা হৈছে।  যাত্ৰীসকলৰ সুবিধাৰ বাবে ৰে'ল দুখনত দবাৰ সংখ্যাও বৃদ্ধি কৰা হৈছে। উৎসৱৰ লগত সংগতি ৰাখি ৰে'লসমূহৰ ষ্টপেজ আৰু সময়সূচীৰ বিস্তৃত বিৱৰণ উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ সামাজিক মাধ্যমত আৰু আই আৰ চি টিৰ ৱেবচাইটযোগে প্ৰকাশ কৰা  হৈছে।

০০০০০

চীনৰ মকীত অনুষ্ঠিত মহিলাৰ জুনিয়ৰ হকী এছিয়া কাপ প্ৰতিযোগিতাত ভাৰতীয় দলটোৱে পাকিস্তানক ১৯-০ গ'লত ধূলিস্যাৎ কৰি ছেমি ফাইনেলত স্থান নিশ্চিত কৰিছে। খেলখনত আৰম্ভণিৰ পৰাই ভাৰতীয় দলটোৱে দুৰ্দান্ত প্ৰদৰ্শনেৰে প্ৰতিযোগিতাখনৰ এই অন্যতম বৃহৎ জয় সাব্যস্ত কৰে। ভাৰতে ১৯ টা গ'ল, ১৮ টা পেনাল্টি কৰ্ণাৰ আৰু এটা পেনাল্টি ষ্ট্ৰোক লাভ কৰাৰ বিপৰীতে পাকিস্তানে এটাও গ'ল, কৰ্ণাৰ অথবা পেনাল্টি ষ্ট্ৰোক লাভ কৰাত ব্যৰ্থ হয়। ভাৰতৰ হৈ পূজা মালিকে তিনিটা গ'লেৰে হেট্ৰিক অৰ্জন কৰে। ভাৰতীয় দলটোৱে পৰৱৰ্তী পৰ্য্যায়ত কোৰিয়া আৰু মালয়েছিয়াৰ মাজত শনিবাৰে হ'বলগীয়া ছেমি ফাইনেলৰ বিজয়ী দলটোৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। উল্লেখযোগ্য যে, ভাৰতৰ পুৰুষৰ জুনিয়ৰ হকী দলটোৱে জুনিয়ৰ হকী এছিয়া কাপত ইতিমধ্যে ছেমি ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০

সমাপ্ত